জাতিৰ সেৱাত উৎসৰ্গিত

http://dainik.assamtribune.com

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

৩ নীলাচল সেতুত ভয়ানক দুৰ্ঘটনা
১০ ৰজনীকান্তৰ সৰল প্ৰশ্নত মোহিত অনুৰাগী

৫৯ বছৰীয়া ঐতিহ্য ১৯৬৫-২০২৩

মৰঙিৰ সভাত চৰকাৰক ধিক্কাৰ ৭
পদক অৰ্জনত ব্যৰ্থ মীৰাবাঈ চানু ১২

9/65 । ৫৯ বছৰ । ৫৭ সংখ্যা, ১৩ আহিন, দেওবাৰ, ১৯৪৫ শক । DAINIK ASAM : Assamese Daily । VOL. 59 NO. 57 । DIBRUGARH, SUNDAY, OCTOBER 1, 2023 । পৃষ্ঠা ১৬ (Pages 16) । ৭.০০ টকা (Rs


## ত কলহ যাত্ৰা' কাৰ্যসূচী ৰূপায়ণ



স্থানীয় মুক্তিযুঁজাৰু, বীৰসকল, বীৰৰ পৰিয়ালৰ সদস্যসকলক বিদ্যালয়লৈ আমন্ত্ৰণ কৰি সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰপৰা দেশৰ স্বাধীনতা সংগ্ৰামৰ গৌৰৱোজ্জ্বল গাথাৰ ৰোমন্থন কৰা হয়। মাজুলী জিলাৰ বিদ্যালয়সমূহত সেইদিনা ৰূপায়িত হোৱা উপৰোক্ত কাৰ্যসূচীসমূহত ক্ৰমে বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়া সংগীতা বৰুৱাই খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সৌৰভ বৰফুকনৰ সৈতে গোৱিনপুৰ প্ৰাথমিক বিদ্যালয়ত ঊষা কীৰ্তন কাৰ্যসূচীত, ঢেকীয়াজুলি প্ৰাথমিক বিদ্যালয়ত শপতগ্ৰহণ আৰু সাংস্কৃতিক কাৰ্যসূচীত, খাৰজানপাৰ জনজাতি উচ্চ মাধ্যমিক

## কানৈ মহাবিদ্যালয়ত বিশ্ব পৰ্যটন দিৱস

নিজা বাতৰি দিওঁতা

**ডিব্ৰুগড়, ৩০ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় হনুমান সূৰজমল কানৈ মহাবিদ্যালয়ৰ অৰ্থনীতি বিজ্ঞান বিভাগৰ উদ্যোগত প্ৰতি বছৰৰ দৰে এইবাৰো যোৱা ২৭ ছেপ্টেম্বৰত মহাবিদ্যালয়খনত বিশ্ব পৰ্যটন দিৱস উদ্‌যাপিত হয়। অৰ্থনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা ডঃ ৰুবাব ফাটেমা নমানীয়ে আঁত ধৰা অনুষ্ঠানটোত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়া আৰু ডি এইচ এছ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যাপক ডঃ জেকব কোঁৱৰে সমল ব্যক্তি হিচাপে উপস্থিত থাকি পৰ্যটনৰ ইতিবৃত্ত সম্পৰ্কে ব্যক্ত কৰে। অৰ্থনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ডঃ পাৰ্থ গাংগুলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ ছাত্ৰী নীতিশা গগৈ, লীজা শইকীয়া আৰু শিল্পী শিখা দত্তই মাজুলীৰ পৰ্যটন সম্পৰ্কত অতি সাৱলীলভাৱে আলোচনা-চক্ৰত ক্ষেত্ৰ অধ্যয়ন ভিত্তিত দলীয়ভাৱে দুখন গৱেষণা পত্ৰ পাঠ কৰে।


